# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-05-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

\- - - - - - - - - - - - - - -

ৰাজ্যখনত শেহতীয়াভাৱে ৰিমাল ঘূৰ্ণিবতাহৰ ফলত হোৱা ধাৰাষাৰ বৰষুণে কেইবাখনো জিলাৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল প্লাৱিত কৰিছে। ৰাজ্যখনৰ কমেও ৮ খন জিলা নগাঁও, হাইলাকান্দি, পশ্চিম কাৰ্বি আংলং, কৰিমগঞ্জ, কাছাৰ, হোজাই, গোলাঘাট আৰু কাৰ্বি আংলংৰ ১৪৩ খন গাওঁ বানত ক্ষতিগ্ৰস্ত হৈছে। এই বানত ২৬ হাজাৰৰো অধিক লোক আৰু ১৯৭ হেক্টৰ কৃষি ভূমি ক্ষতিৰ সন্মুখীন হৈছে। এছ্ ডি আৰ এফ আৰু এন ডি আৰ এফে জিলাসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। বানে কেইবাটাও পথ প্লাৱিত কৰাৰ ফলত কোনো কোনো অঞ্চলত পথ যোগাযোগ ব্যাহত হৈছে। ইফালে, কাছাৰ জিলাৰ নগৰাঞ্চলত হোৱা বানৰ ফলত শিলচৰৰ ৪ সহস্ৰাধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনত বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও ধুমুহা বেৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত আজি দিনৰ ভাগত অহা এজাক ধুমুহা বৰষুণৰ ফলত অঞ্চলটোত বিস্তৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ধুমুহাই কেইবাটাও বাসগৃহ, মোবাইলৰ টাৱাৰ আদি ক্ষতি কৰাৰ লগতে যোগাযোগ ব্যৱস্থা ব্যাহত কৰে। বিশেষকৈ ভুৰাকাটা, কালাপানী, কুকুৰমাৰা, থেকামাৰী, ফুলেৰচৰ আৰু পাথৰীয়া গাঁও পঞ্চায়ত এলেকাত ধুমুহাত বহু লোক ক্ষতিগ্ৰস্ত হৈছে। ইপিনে, হাটশিঙিমাৰী মানকাচৰ সংযোগী পথত গছ উভালি পৰি যাতায়ত ব্যৱস্থা ব্যাহত হয়। জিলাখনৰ বিভিন্ন স্থানত বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰাৰ ফলত ঠায়ে ঠায়ে বিদ্যুৎ যোগানো ব্যাহত হৈ আছে। ইফালে, হাটশিঙিমাৰীৰ সমীপৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্ত্তী কালাইৰ আল্লগাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। হাটশিঙিমাৰীৰ পৰা ভাৰত-বাংলাদেশ সীমান্ত সংযোগী একমাত্ৰ পথটো খহনীয়াত জাহ যোৱাৰ আশংকাই দেখা দিছে। ইফালে, সীমান্ত অঞ্চলৰ এই খহনীয়াই নিৰাপত্তাৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে।

ইপিনে, নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ ২০খনৰো অধিক গাঁও জলমগ্ন হৈ পৰিছে। মথাউৰি চিগি গাঁওসমূহত পানী সোমোৱাৰ ফলত অঞ্চলটোৰ জনসাধাৰণ বিপদৰ সন্মুখীন হৈছে। কৰিমগঞ্জৰ বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। বদৰপুৰৰ কান্দিগ্ৰাম এলেকাত চিগা মথাউৰিৰে পানী সোমোৱাৰ ফলত কেইবাখনো গাঁও প্লাৱিত হৈছে। ইফালে, বৰাক আৰু কুছিয়াৰা নৈ বিপদসীমাৰ ওপৰেৰে বৈ আছে। বদৰপুৰৰ উত্তৰ কান্দিগ্ৰামত বৰাক নৈৰ বানে ৫০ হাজাৰ লোকক গৃহহীন কৰাৰ উপক্ৰম হৈছে।

নেৰানেপেৰা বৰষুণৰ ফলত উমৰাংছ’ৰ খান্দং বান্ধৰ সাতখন শ্লুইচ গেট খুলি দিয়াৰ ফলত কপিলী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছে।

ooooo

অসম আৰক্ষীয়ে সামাজিক মাধ্যমক ব্যৱসায়িক উদ্দেশ্যেৰে ব্যৱহাৰ কৰি লাভ অৰ্জন কৰাৰ অভিযোগত এগৰাকী মহিলা আৰক্ষীক দায়িত্বৰ পৰা নিলম্বন কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰী বিষয়াই এনে ধৰণৰ ব্যৱসায়িক কাৰ্যকলাপ চলোৱাটো নীতিবৰ্হিভূত কাৰ্য।

00000

প্ৰয়াত প্ৰাক্তন মন্ত্ৰী তথা ৰঙিয়াৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ৰঙিয়াত আজি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অগপ দলৰ জিলা সমিতিয়ে ৰঙিয়া প্ৰগতি সংঘৰ বাকৰিত আয়োজন কৰা অনুষ্ঠানটোত প্ৰয়াত বড়োৰ পৰিয়ালবৰ্গৰ লগতে অগপ আৰু বিজেপিৰ বহুকেইগৰাকী মন্ত্ৰী-বিধায়ক তথা স্থানীয় লোকে অংশগ্ৰহণ কৰে। অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰয়াত নেতাগৰাকীক স্মৰণ কৰি অনাগত সময়ত তেখেতে দেখুৱাই থৈ যোৱা পথেৰে আগুৱাই যোৱাৰ সংকল্প লয়। ৰাজ্যিক বিজেপিৰ সভাপতি, ৰঙিয়াৰ বিধায়ক ভবেশ কলিতাই প্ৰয়াত বড়োৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ এটা প্ৰতিমূৰ্তিৰ লগতে এটা পুথিভঁৰাল গঢ়ি তুলিব বুলি স্মৃতিচাৰণ সভাখনতে ঘোষণা কৰে। সভাখনতে প্ৰয়াত বড়োৰ অন্তিম সময়ছোৱাত সহায় আগবঢ়োৱা আৰু যত্ন লোৱা লোকসকলক অগপ দলৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাখনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীকে ধৰি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৩-২৪ পৰ্যটন বৰ্ষৰ কাইলৈ অন্ত পৰিব। এই বৰ্ষটোতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ভূটানৰ ৰজাকে ধৰি বহুসংখ্যক পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে। সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যাখনত কাইলৈৰ পৰা হাতী ছাফাৰী, জীপ ছাফাৰীৰ লগতে পৰ্যটকৰ প্ৰৱেশ বন্ধ কৰিছে।

00000

অহা ২১ জুনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযানপৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবলৈ আজি তেজপুৰত শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে যোগ দিৱসৰ পূৰ্বে সাদিনীয়াকৈ এটা কাৰ্যসূচীও জিলাখনত গ্ৰহণ কৰা হ'ব। এই বৈঠকত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ তথা আয়ুষৰ সঞ্চালকৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। বৈঠকত প্ৰকাশ কৰা মৰ্মে ১৪ জুনৰ পৰা ২০ জুনলৈ জিলাখনত যোগ দিৱসৰ প্ৰস্তুতি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। জিলাখনৰ নিৰ্বাচিত কেইটামান স্থানত এই কাৰ্যসূচী লোৱা হ'ব বুলিও প্ৰকাশ কৰা হয়। আজিৰ বৈঠকত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া, যোগাভ্যাসকাৰী সংস্থাৰ প্ৰতিনিধি, স্বেচ্ছাসেৱী সংগঠনৰ সদস্য আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

00000

সমাপ্ত